**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত আহত লোকসকলৰ অৱস্থাৰ বুজ লয়।

২। ভাৰত আৰু চীনে উভয়দেশৰ মাজত পোনপটীয়াকৈ বিমান চলাচল কৰোৱাৰ হকে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে সহমত প্ৰকাশ কৰিছে।

৩। ভাৰতে ইৰান আৰু ইজৰাইলৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰাৰ লগতে দুয়োখন দেশকে কোনো ক্ষতিকাৰক পদক্ষেপ গ্ৰহণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

৪। ইজৰাইলৰ আক্ৰমণৰ ফলত ইৰানৰ আকাশমাৰ্গৰ ব্যৱহাৰৰ ক্ষেত্ৰত সৃষ্টি দেখা দিয়া জটিলতাৰ পৰিপ্ৰেক্ষিতত এয়াৰ ইণ্ডিয়াই ইয়াৰ পূৰ্ব নিৰ্ধাৰিত ১৬ খন বিমানৰ যাত্ৰাপথ সলনি কৰিছে।

আৰু

৫। বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ তৃতীয় দিনৰ খেল আজি বিয়লি ৩ বজাত আৰম্ভ হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত আহত লোকসকলৰ অৱস্থাৰ বুজ লয়। ২৪১ গৰাকী লোকে প্ৰাণ হেৰুওৱা কালিৰ বিমান দুৰ্ঘটনাটোৰ প্ৰসংগত সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে আহমেদাবাদত সংঘটিত এই ভয়াবহ দুৰ্ঘটনাটোৱে দেশবাসীক শোকস্তব্ধ কৰি তুলিছে। এই আকস্মিক তথা হৃদয়বিদাৰক ঘটনাটোত ইমান বৃহৎ সংখ্যক লোকৰ প্ৰাণহানি ঘটাৰ ফলত হোৱা ক্ষতিক কোনো শব্দৰে বৰ্ণনা কৰিব নোৱাৰি বুলি উল্লেখ কৰি তেওঁ শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে। শ্ৰী মোদীয়ে লগতে কয়, যে চৰকাৰে এই লোকসকলৰ বেথা অনুভৱ কৰাৰ লগতে তেওঁলোকৰ এই শূন্যতা যে বহু বছৰলৈ অনুভূত হৈ থাকিব, সেই কথাও উপলব্ধি কৰে।

প্ৰধানমন্ত্ৰীয়ে বিমান দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰা একমাত্ৰ ব্যক্তি ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো স্থানীয় এখন চিকিৎসালয়ত সাক্ষাৎ কৰে। শ্ৰী ৰমেশে পাছত তেওঁৰ প্ৰাণৰক্ষা পৰা সেই শ্বাসৰুদ্ধকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দুৰ্ঘটনাটো সংঘটিত হোৱা স্থানো পৰিদৰ্শন কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয়, যে এই বিমান দুৰ্ঘটনাৰ পৰৱৰ্তী পৰ্যায়ত অক্লান্তভাৱে কামত ব্যস্ত হৈ থকা লোক সকলকো তেওঁ সাক্ষাৎ কৰে। তদুপৰি তেওঁ এই অকল্পনীয় দুখজনক ঘটনাটোত আত্মীয়ক হেৰুওৱাসকলৰ প্ৰতিও সমমৰ্মিতা প্ৰকাশ কৰে।

কালিৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালকো সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰীয়ে পাছত আহমেদাবাদত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। চিনাক্ত হোৱা মৃতদেহসমূহ মৰনোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পৰিয়ালক গতাই দিয়া কাম আৰম্ভ কৰা

হৈছে বুলি উল্লেখ কৰি আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে বৰ্তমানলৈ এনেদৰে চাৰিটা মৃতদেহ সংশ্লিষ্ট পৰিয়ালক গতাই দিয়া হৈছে।

উল্লেখযোগ্য যে, এয়াৰ ইণ্ডিয়াৰ বয়িং 787-8 শ্ৰেণীৰ বিমানখন কালি দুৰ্ঘটনাত পতিত হোৱাৰ ফলত চালক দলৰ সদস্যকে ধৰি ২৪১ গৰাকী আৰোহীয়ে প্ৰাণ হেৰুৱায়। আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই আহমেদাবাদৰ বি-জে মেডিকেল কলেজৰ কাষৰীয়া আবাসিক এলেকাত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়।

ooooooooo

কেন্দ্ৰীয় বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে আজি নতুন দিল্লীত চীনৰ বিদেশ দপ্তৰৰ উপমন্ত্ৰী ছান ৱেইডঙৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ এটা বিবৃতিত প্ৰকাশ পোৱা মতে তেওঁলোকে জনসাধাৰণৰ সৈতে সম্পৰ্কিত বিষয়ক অগ্ৰাধিকাৰ দি উভয় দেশৰ মাজৰ সম্পৰ্কক সুস্থিৰ কৰি তোলা আৰু নতুনকৈ গঢ় দিয়াৰ ক্ষেত্ৰত সহমত পোষণ কৰে। বিদেশ সচিব শ্ৰী মিশ্ৰিয়ে  চলিত বৰ্ষৰ কৈলাশ মানসৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰাৰ ক্ষেত্ৰত চীনৰ সহযোগিতাৰ শলাগ লয়। অৰ্থনৈতিক আৰু বাণিজ্যিক ক্ষেত্ৰৰ পাৰস্পৰিক স্বাৰ্থজড়িত নিৰ্দিষ্ট বিষয়সমূহক লৈ সময়ে সময়ে আলোচনাত মিলিত হোৱাৰ বিষয়ত উভয় পক্ষই সন্মতি প্ৰকাশ কৰে বুলি উল্লেখ কৰি বিবৃতিটোত লগতে কোৱা হৈছে যে, দুয়োখন দেশৰ মাজত পোনপটীয়াকৈ বিমান চলাচল কৰোৱাৰ হকে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও এই আলোচনাত দুয়ো পক্ষই সহমত প্ৰকাশ কৰে। এই ক্ষেত্ৰত বিমান সেৱা সম্পৰ্কীয় চুক্তি শীঘ্ৰেই সম্পাদিত হ'ব বুলি শ্ৰী মিশ্ৰিয়ে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, আজিৰ বৈঠকত দুয়োখন দেশৰ মাজৰ ভিছাৰ ব্যৱস্থা কাৰ্যকৰী কৰা আৰু সংবাদ মাধ্যম তথা বুদ্ধিজীৱিৰ মাজৰ মত বিনিময় ত্বৰান্বিত কৰাৰ হকে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ  কৰাৰ লগতে কূটনৈতিক সম্পৰ্কৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে গ্ৰহণ কৰা পৰিকল্পনাসমূহ বাস্তৱায়িত কৰিবলৈকো সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ooooooooo

ডাক বিভাগে শৈক্ষিক, সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয় গ্ৰন্থৰ বহনসাধ্য বিতৰণৰ বাবে **জ্ঞান পোষ্ট** নামৰ সুকীয়া ডাকসেৱা আৰম্ভ কৰিছে। দুৰ্গম আৰু গ্ৰামাঞ্চলকে ধৰি সমগ্ৰ দেশত ছপা শৈক্ষিক সামগ্ৰী সুলভ কৰি শৈক্ষিক ব্যৱধান হ্ৰাস কৰাই নতুন শিক্ষা নীতিৰ লক্ষ্য অনুযায়ী আৰম্ভ কৰা এই সেৱাৰ মূল উদ্দেশ্য। জ্ঞান ডাক সেৱাৰ অধীনত ৩০০ গ্ৰাম পৰ্যন্ত ওজনৰ পেকেটৰ বাবে ২০ টকা আৰু ৫ কিলোগ্ৰাম পৰ্যন্ত ওজনৰ পেকেটৰ বাবে সৰ্বাধিক ১০০ টকা মাচুল ধাৰ্য কৰা হৈছে। স্বচ্ছতা আৰু নিৰ্ভৰযোগ্যতা সুনিশ্চিত কৰাৰ বাবে এই সেৱা যোগে প্ৰেৰণ কৰা সামগ্ৰী গন্তব্য স্থান পাইছে নে নাই সেই বিষয়ে পৰীক্ষা কৰি চোৱাৰ সুবিধাও আগবঢ়োৱা হ'ব। এই সন্দৰ্ভত অধিক তথ্যৰ বাবে ওচৰৰ ডাকঘৰৰ সৈতে যোগাযোগ কৰিব পৰা হ'ব অথবা ভাৰতীয় ডাক বিভাগৰ ৱেবছাইটত চাব পৰা হ'ব।

ooooooooo

ইৰান আৰু ইজৰাইলৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত ভাৰতে উদ্বেগ প্ৰকাশ কৰাৰ লগতে দুয়োখন দেশকে কোনো ক্ষতিকাৰক পদক্ষেপ গ্ৰহণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। দুয়োখন দেশকে ভাৰতে আলাপ-আলোচনা আৰু কূটনীতিৰ জৰিয়তে সমস্যাসমূহ সমাধাণৰ বাবে আহ্বান জনাইছে। ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ে নতুন দিল্লীত এই বিষয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, যে পাৰমাণৱিক আক্ৰমণ সন্দৰ্ভত

ভাৰতে দেশ দুখনৰ ওপৰত চোকা নজৰ ৰাখিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে হয় যে, দুয়োখন দেশৰ লগত ভাৰতৰ বন্ধুত্বপূৰ্ণ আৰু ঘনিষ্ঠ সম্বন্ধ আছে। সেয়েহে প্ৰয়োজন হ'লে ভাৰতে দুয়োদেশলৈ নিজৰ সহায়-সমৰ্থন আগবঢ়াব।

০০০০০০০০০

ইজৰাইলে যোৱা নিশা ইৰানৰ ওপৰত কৰা অভূতপূৰ্ব আক্ৰমণৰ ফলত ইৰানৰ আকাশমাৰ্গৰ ব্যৱহাৰৰ ক্ষেত্ৰত সৃষ্টি হোৱা প্ৰতিবন্ধকতাৰ পৰিপ্ৰেক্ষিতত এয়াৰ ইণ্ডিয়াই ইয়াৰ পূৰ্বৰ নিৰ্ধাৰিত ১৬ খন বিমানৰ যাত্ৰাপথ সলনি কৰাৰ লগতে বিমানসমূহ পূৰ্বৰ ঠাইলৈ ঘূৰাই আনিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত এয়াৰ ইণ্ডিয়াই জনাইছে যে, বিমান যাত্ৰীসকলৰ সুবিধাৰ বাবে কৰ্তৃপক্ষই বিকল্প ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিত যাত্ৰীসকলে টিকট বাতিল কৰা ধন ঘূৰাই দিয়াৰ লগত পুনৰ্নিৰ্ধাৰিত কাৰ্যসূচীত যাত্ৰীসকলৰ ধন নলয় বুলি জানিবলৈ দিয়ে। এই ১৬ খন বিমানৰ ভিতৰত লণ্ডন আৰু নিউয়ৰ্কলৈ যাত্ৰ কৰিবলগীয়া আৰু মুম্বাই আৰু দিল্লীলৈ যোৱা বিমানো আছিল। যাত্ৰীসকলক পৰৱৰ্তী বিমান যাত্ৰা সন্দৰ্ভত যাৱতীয় তথ্য জানিবলৈ এয়াৰ ইণ্ডিয়াৰ ৱেবছাইট চাবলৈ কৰ্তৃপক্ষই আহ্বান জনাইছে।

০০০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক, আৰ বি আইয়ে বন্ধ হৈ থকা একাউণ্ট আৰু গৰাকীবিহীন জমা ধনৰ একাউণ্ট সক্ৰিয় কৰাৰ বাবে সকলো শাখাতে কে ৱাই চি আপডেটৰ সুবিধাৰ ব্যৱস্থা কৰিবলৈ সকলো বেংকক নিৰ্দেশ দিছে।

প্ৰতিষ্ঠানটোৱে কালি এখন প্ৰেছ বিজ্ঞপ্তিযোগে কয়, যে বেংক সমূহে ভিডিঅ' গ্ৰাহক চিনাক্তকৰণ প্ৰক্ৰিয়াৰ মাজৰেও এনে একাউণ্ট  ধনৰাশিৰ বাবে কে ৱাই চি আপডেটৰ সুবিধা প্ৰদান কৰিবলৈ চেষ্টা চলোৱা উচিত। ইয়াৰ উপৰি বেংকসমূহক বন্ধ হৈ থকা একাউণ্টসমূহ সক্ৰিয় কৰাৰ বাবে প্ৰাধিকৃত বেংকিং সেৱা প্ৰতিনিধিৰ সহায় ল'বলৈ কোৱা হৈছে।

০০০০০০০০০

শ্ৰীলংকাৰ কলম্বোত ভাৰতীয় উচ্চায়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ কালি প্ৰথমবাৰৰ বাবে উদযাপন কৰা হয়। দিনজোৱা কাৰ্যসূচীৰে পালন কৰা এই অনুষ্ঠানত মহাপুৰুষজনাৰ এটি বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰা হয়। কেন্দ্ৰটোৰ পৰিচালক আৰু প্ৰথম গৰাকী সঞ্চালক, অধ্যাপক অংকুৰণ দত্তৰ উদ্যোগ আৰু পৰিকল্পনাত অধ্যাপক উপুল ৰঞ্জিতে হেৱাৰিটানগমগেয়ে সিংহলী ভাষালৈ অনুবাদ কৰা 'উঠৰে উঠ বাপু গোপাল হে' বৰগীতটো অচিথ আট্টাপাট্টুৱে পৰিৱেশন কৰে। আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে শ্ৰী জয়বৰ্ধনপুৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক গামিনী ৰাণাসিংহই অসমীয়া সমাজৰ আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে নামঘৰ আৰু ইয়াৰ স্থপতি শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ অৱদানৰ বিষয়ে ভাষণ দিয়ে। এই অনুষ্ঠানত শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ শৈক্ষিক বিষয়া সঞ্জীৱনী বিদ্যাৰত্নই মাজুলীৰ সত্ৰ সংস্কৃতিৰ বিষয়ে তেওঁৰ অভিজ্ঞতা ব্যক্ত কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ৰীলংকা ভ্ৰমণ কালত মহাপুৰুষ দুজনাৰ সিংহলী ভাষাত বাণীবদ্ধ কৰা দুটি বৰগীত অধ্যাপক অংকুৰণ দত্তই প্ৰদৰ্শন কৰিছিল। বিগত ৫ শতিকাত মহাপুৰুষ মাধৱদেৱৰ প্ৰথমটো বৰগীত এই পদক্ষেপৰ জৰিয়তে কোনো বিদেশী ভাষালৈ অনুবাদ তথা পৰিৱেশন কৰা হয়।

০০০০০০০০০

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ তৃতীয় দিনৰ খেল আজি বিয়লি ৩ বজাত আৰম্ভ হ'ব। অষ্ট্ৰেলিয়াই কালি দ্বিতীয় দিনাৰ খেলৰ সামৰণি পৰলৈকে ৮টা উইকেট হেৰুৱাই সংগ্ৰহ কৰা ১৪৪ ৰানৰ পৰা আজি পুনৰ খেল আৰম্ভ হ'ব। উল্লেখযোগ্য যে, কালিৰ দিনটোৰ শেষত ষ্টাৰ্কে ১৬ আৰু নাথন লায়ন ১ ৰান কৰি খেলি আছিল।

প্ৰথম ইনিংছত ২১২ ৰানত আউট হোৱাৰ পাছত অষ্ট্ৰেলিয়াই সুন্দৰ বলিং প্ৰদৰ্শনেৰে খেলখনলৈ প্ৰত্যাৰ্বতন কৰে আৰু প্ৰথম ইনিংছত ৭৪ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত ইতিমধ্যে ৮টা উইকেট হেৰুৱাইছে যদিও দক্ষিণ আফ্ৰিকাতকৈ সামগ্ৰিকভাৱে ২১৮ ৰানত আগবাঢ়ি আছে।

ইয়াৰ পূৰ্বে, দক্ষিণ আফ্ৰিকাই কালি ১৩৮ ৰাণত প্ৰথম ইনিংছ সামৰে। দক্ষিণ আফ্ৰিকাই ৪ উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ৪৩ ৰাণৰ পৰা খেল আৰম্ভ কৰি কালি ৯৫ ৰাণহে যোগ দিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ ডেভিদ বেডিংহামে সৰ্বাধিক ৪৫ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ পেট কামিন্‌ছে ৬টা উইকেট দখল কৰে। উল্লেখযোগ্য যে, অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ২১২ ৰান সংগ্ৰহ কৰিছিল।

ooooooooo

সমাপ্ত